# A Study on Youth Empowerment of Hahchara Naga Gaon of Sivasagar District

A Project Report submitted to Dibrugarh University for B.A. degree in Education Honours (CBCS) for the Course Discipline Specific Elective: DSE 4 (PROJECT REPORT)

Submitted by
PRANJANA DUTTA
Roll No: 13410044
Registration No: S2028526
Registration Year : 2020-21
6th Semester BA Examination (CBCS)
Education Honours

**Hem Chandra Dev Goswami College, Nitaipukhuri, Sivasagar**
**2023**

HCDG COLLEGE
Department of Education
NITAIPUKHURI

# প্ৰশংসা পত্ৰ

তাৰিখ ঃ ১৫/ ৫/202৬

**“শিৱসাগৰ জিলাৰ হাঁহচৰা নগা গাঁৱৰ যুৱ সবলীকৰণ সম্পৰ্কে এক অধ্যয়ন”** শীৰ্ষক এই অধ্যয়ন মোৰ তত্ত্বাৱধানত শিক্ষা বিভাগৰ ষষ্ঠ ষান্মাসিকৰ ছাত্ৰ /ছাত্ৰী প্ৰাঞ্জনা দত্তই য়ে সম্পন্ন কৰে। অনুসন্ধানকাৰীয়ে ষষ্ঠ ষান্মাসিকৰ শিক্ষাতত্ব (সন্মান) বিষয়ৰ অষ্টাদশ কাকত **‘প্ৰকল্প প্ৰতিবেদন’** (Project Report) Paper Code DSE-4 ৰ উপযোগীকৈ প্ৰস্তুত কৰে আৰু শিক্ষা বিভাগত স্নাতক উপাধিৰ বাবে দাখিল কৰে।

এই প্ৰতিবেদন বিশেষজ্ঞ পৰীক্ষককৈ মূল্যায়নৰ বাবে আগবঢ়োৱা হ'ল।

লীনা দত্ত
**তত্বাৱধায়ক**
**শিক্ষা বিভাগ**
**হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়**

# প্ৰশংসা পত্ৰ

তাৰিখ ঃ ১৫/৫/২০২৩

**"শিৱসাগৰ জিলাৰ হাঁহচৰা নগা গাঁৱৰ যুৱ সবলীকৰণ সম্পৰ্কে এক অধ্যয়ন"** শীৰ্ষক এই অধ্যয়ন শিক্ষা বিভাগৰ ষষ্ঠ ষান্মাসিকৰ ছাত্ৰ /ছাত্ৰী প্ৰাঞ্জনা দত্তই সম্পন্ন কৰে। অনুসন্ধানকাৰীয়ে ষষ্ঠ ষান্মাসিকৰ শিক্ষাতত্ব (সন্মান) বিষয়ৰ অষ্টাদশ কাকত **'প্ৰকল্প প্ৰতিবেদন'** (Project Report) Paper Code DSE-4 ৰ উপযোগীকৈ প্ৰস্তুত কৰে আৰু শিক্ষা বিভাগত স্নাতক উপাধিৰ বাবে দাখিল কৰে।

এই প্ৰতিবেদন বিশেষজ্ঞ পৰীক্ষকলৈ মূল্যায়নৰ বাবে আগবঢ়োৱা হ'ল।

Evaluated
15/05/2023

বিভাগীয় মুৰব্বী
শিক্ষা বিভাগ
হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়

Head
Deptt. of Education
H.C.D.G. College, Nitaipukhuri

# ঘোষণা পত্ৰ

অনুসন্ধানকাৰীয়ে '**শিৱসাগৰ জিলাৰ হাঁহচৰা নগা গাঁৱৰ যুৱ সবলীকৰণ সম্পৰ্কে এক অধ্যয়ন**' বিষয়ৰ ওপৰত নিৰ্বাচিত ক্ষেত্ৰলৈ গৈ নিজাভাৱে সংগ্ৰহ কৰা তথ্য সামগ্ৰীৰ ওপৰত নিৰ্ভৰ কৰি এই প্ৰতিবেদন প্ৰস্তুত কৰা হৈছে আৰু শিক্ষা বিভাগলৈ স্নাতক উপাধিৰ মূল্যায়নৰ বাবে আগবঢ়োৱা হ'ল।

অঞ্জনা দত্ত

**অনুসন্ধানকাৰী ছাত্ৰ/ছাত্ৰীৰ স্বাক্ষৰ**

# কৃতজ্ঞতা পত্ৰ

তাৰিখ ঃ ১৫/৫/২০২৩

পোন প্ৰথমে এই অধ্যয়নত মোক বিভিন্ন দিশত সহায় কৰা মহোদয়/মহোদয়া ড° লীনা দত্ত ক আন্তৰিক সেৱা জনাইছোঁ।

মহাবিদ্যালয় অধ্যক্ষৰ লগতে বিভাগৰ অধ্যাপক-অধ্যাপিকা সকললৈও আগবঢ়াইছোঁ মোৰ কৃতজ্ঞতা। এই অধ্যয়নত তথ্য যোগান ধৰা যুৱক-যুৱতীসকলক তেওঁলোকৰ সহায়ৰ বাবে শলাগ লৈছোঁ।

এই প্ৰতিবেদন প্ৰস্তুত কৰোতে যি সকল ব্যক্তিয়ে সহায়-সহযোগিতা আগবঢ়ালে তেখেত সকলকো যাচিলোঁ মোৰ সশ্ৰদ্ধ প্ৰণিপাত।

অঞ্জনা দত্ত।

**অনুসন্ধানকাৰী ছাত্ৰ/ছাত্ৰীৰ স্বাক্ষৰ**

# তালিকাসূচী

তালিকা পৃষ্ঠা

তালিকা নং ১ ঃ হাঁহচৰা নগা গাঁৱৰ যুৱক-যুৱতী কৰ্মসংস্থাপনৰ তালিকা। ৯
তালিকা নং ২ ঃ হাঁহচৰা নগা গাঁৱৰ শিক্ষিত যুৱক-যুৱতীৰ সংখ্যাৰ তালিকা ১০

**আলোকচিত্ৰ**

চিত্ৰ ১ ঃ প্ৰকল্পৰ অধ্যয়নৰ উদ্দেশ্যে যাত্ৰাৰ সময়ত মহাবিদ্যালয়ৰ সন্মুখত শিক্ষাতত্ব বিভাগৰ শিক্ষকৰ সৈতে ষষ্ঠ ষান্মাসিকৰ ছাত্ৰ-ছাত্ৰীসকল ২
চিত্ৰ ২ ঃ নগা যুৱকসকলে টুংখুং বজাই থকা চিত্ৰ ৪
চিত্ৰ ৩ ঃ নগাগৃহৰ লাইখুঁটা ৪
চিত্ৰ ৪ ঃ মৰংঘৰৰ সন্মুখত যুৱকসকলৰ অংশগ্ৰহণ (দুখন) ৬
চিত্ৰ ৫ ঃ আওলিং উৎসৱত যুৱতী সকলৰ অংশগ্ৰহণ ৭
চিত্ৰ ৬ ঃ উৎসৱত ব্যৱহৃত চিকাৰৰ মূৰ ৭
চিত্ৰ ৭ ঃ নগা গাঁও উন্নয়ন সমিতিত যুৱপ্ৰজন্মৰ অংশগ্ৰহণ ৮
চিত্ৰ ৮ ঃ কন্যাক নগা যুৱতীৰ হাঁহ-কুকুৰা পালন ৮
চিত্ৰ ৯ ঃ নগা গাঁও চৰকাৰী কনিষ্ঠ বুনিয়াদী বিদ্যালয় সন্মুখত বিভাগীয় শিক্ষকৰ সৈতে প্ৰকল্প প্ৰস্তুত কৰোতাসকল ১০

মানচিত্ৰ ঃ হাঁহচৰা নগা গাঁৱৰ মানচিত্ৰ ৪

## পৰিশিষ্টৰ তালিকা

পৰিশিষ্ট ১ ঃ সাক্ষাৎকাৰসূচী ১৩-১৪

Signature

# বিষয়সূচী


| | পৃষ্ঠা নং |
|---|---|
| প্ৰশংসাপত্ৰ — তত্বাৱধায়ক | i |
| প্ৰশংসাপত্ৰ — বিভাগীয় মুৰব্বী | ii |
| ঘোষণাপত্ৰ | iii |
| কৃতজ্ঞতাপত্ৰ | iv |
| তালিকাসূচী | v |
| **প্ৰথম অধ্যায় ঃ আৰম্ভণি** | ১-২ |
| ১.০ শিৰোনাম | ১ |
| ১.১ আৰম্ভণি | ১ |
| ১.২ অধ্যয়নৰ যুক্তিযুক্ততা | ১ |
| ১.৩ বিষয়বস্তুৰ সংজ্ঞা | ২ |
| ১.৩.১ হাঁহচৰা নগা গাঁও | ২ |
| ১.৩.২ যুৱ সবলীকৰণ | ২ |
| ১.৪ অধ্যয়নৰ উদ্দেশ্য | ২ |
| **দ্বিতীয় অধ্যায় ঃ শিৱসাগৰ জিলাৰ হাঁহচৰা নগা গাঁৱৰ বিৱৰণ** | ৩-৪ |
| ২.০ প্ৰস্তাৱনা | ৩ |
| ২.১ কন্যাক নগাসকলব সামাজিক আৰু সাংস্কৃতিক জনজীৱন | ৩ |
| **তৃতীয় অধ্যায় ঃ অধ্যয়নৰ পদ্ধতি আৰু নিয়মাৱলী** | ৫ |
| ৩.০ পদ্ধতি আৰু নিয়মাৱলী | ৫ |
| ৩.১ জনসমষ্টি আৰু নমুনা দল | ৫ |
| ৩.২ সঁজুলি আৰু কৌশল | ৫ |
| ৩.৩ তথ্য সংগ্ৰহ প্ৰণালী | ৫ |
| ৩.৪ তথ্য বিশ্লেষণ প্ৰণালী | ৫ |
| ৩.৫ অধ্যয়নৰ সীমাবদ্ধতা | ৫ |
| **চতুৰ্থ অধ্যায় ঃ শিৱসাগৰ জিলাৰ হাঁহচৰা নগা গাঁৱৰ যুৱ সবলীকৰণ** | ৬-১০ |
| ৪.০ তথ্য বিশ্লেষণ আৰু উপস্থাপন | ৬ |
| ৪.১ সামাজিক দিশত সবলীকৰণ | ৬ |
| ৪.২ ৰাজনৈতিক দিশত সবলীকৰণ | ৭ |
| ৪.৩ অৰ্থনৈতিক দিশত সবলীকৰণ | ৮ |
| ৪.৪ শৈক্ষিক দিশত সবলীকৰণ | ৯ |
| **পঞ্চম অধ্যায় ঃ সামৰণি** | ১১ |
| ৫.০ অধ্যয়নৰ ফলাফল | ১১ |
| ৫.১ সামৰণি | ১১ |
| সহায়ক গ্ৰন্থপঞ্জী | ১২ |
| পৰিশিষ্ট | |


Ayori

# অধ্যায় — ১

# আৰম্ভণি

## ১.০ শিৰোনাম (Title) ঃ

শিৱসাগৰ জিলাৰ হাঁহচৰা নগা গাঁৱৰ যুব সবলীকৰণ সম্পৰ্কে এক অধ্যয়ন (A study on youth empowerment of Hanchara Naga Gaon of Sivasagar district)

## ১.১ আৰম্ভণি (Introduction) ঃ

যুৱ সবলীকৰণ বুলি ক'লে যুৱ সম্প্ৰদায়ৰ নিজ দক্ষতা অনুসৰি আত্মবিশ্বাস বঢ়াই তোলা আৰু শৈক্ষিক, আত্মিক, অৰ্থনৈতিক, ৰাজনৈতিক আৰু সামাজিক দিশত তেওঁলোকৰ শক্তি বৃদ্ধি কৰাকে বুজায়। বৰ্তমান সময়ত যুৱ সম্প্ৰদায় মানসিক আৰু শাৰীৰিকভাৱে সবল হোৱাৰ লগতে শিক্ষিত হোৱাটো অতি বাঞ্ছনীয়। কিয়নো আজিৰ যুৱক কালিলৈ দেশৰ নাগৰিক। দেশৰ প্ৰতি যুৱচামৰ দায়িত্ব আৰু কৰ্তব্যৰ ভাৰ বহু বেছি। সেয়েহে সাম্প্ৰতিক বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ দ্ৰুত উন্নয়নৰ যুগত শিক্ষাৰ অবিহনে যুৱ সবলীকৰণ মুঠেই সম্ভৱ নহয়।

দেশ এখনৰ উন্নয়নত যুৱ সম্প্ৰদায়ৰ ভূমিকা সদায়ে মুখ্য। দেশৰ উজ্জ্বল ভৱিষ্যৎ গঢ়িবলৈ যুৱ সম্প্ৰদায়ৰ সবলীকৰণ অতি জৰুৰী। যুৱ সম্প্ৰদায়ক গঠনমূলক কামত নিয়োজিক কৰি দেশৰ উন্নয়নৰ অংশীদাৰ কৰিবলৈ হ'লে গাঁৱৰ যুৱক-যুৱতীক প্ৰয়োজনীয় সুযোগ প্ৰদান কৰিব লাগিব যাতে তেওঁলোকে নিজে নিজৰ সিদ্ধান্ত ল'ব পাৰে আৰু নিজৰ জীৱনৰ লগতে আন বহুতৰো জীৱনৰ অৱস্থাৰ পৰিৱৰ্তন কৰিব পাৰে। যুৱ সবলীকৰণৰ বাবে গ্ৰামাঞ্চলৰ যুৱ-প্ৰজন্মৰ সৃজনশীলতা আৰু জ্ঞানক সঠিক দিশত পৰিচালনা কৰিব লাগিব।

যুৱ প্ৰজন্মই সমাজ সংগঠন আৰু পৰিৱৰ্তনত অগ্ৰণী ভূমিকা পালন কৰে। তেওঁলোকৰ বৌদ্ধিক ধাৰণা আৰু শক্তিয়ে ভৱিষ্যতৰ নেতৃত্ব প্ৰদানকাৰী ব্যক্তিৰ সম্ভাৱনীয়তাৰ উমান দিয়ে। ঘৰুৱা আৰু সামাজিক পৰিৱেশৰ ওপৰতে দায়িত্বশীল নাগৰিক গঢ়ি উঠাটো নিৰ্ভৰ কৰে। সমাজৰ পৰা কুসংস্কাৰ, উচ্ছৃংখলতা, অপৰাধ আদি বেয়া কামসমূহ আঁতৰ কৰাটো যুৱপ্ৰজন্মই মুখ্য ভূমিকা গ্ৰহণ কৰিব পাৰে। এজন সৎ যুৱক যুৱতীয়ে উঠি অহা শিশুসকলৰ কাৰণেও আদৰ্শনীয় হ'ব পাৰে। সমাজ পৰিৱৰ্তনত তেওঁলোকে উপযুক্ত প্ৰভাৱ বিস্তাৰ কৰিব পাৰে। ভাৰতীয় সমাজব্যৱস্থাত যুৱসকলে নাৰী আন্দোলন, ৰাজনৈতিক আন্দোলন, পৰিৱেশ আন্দোলন, সমাজ সংস্কাৰ আন্দোলন আদিত অংশগ্ৰহণ কৰি আহিছে। সাম্প্ৰতিককালত যুৱসকল চৰকাৰী আৰু বেচৰকাৰী খণ্ডত সামাজিক অনুষ্ঠানসমূহত জড়িত হৈ বিভিন্ন সেৱা আগবঢ়াই আহিছে। বিজ্ঞান, কলা, কাৰিকৰী, ব্যৱস্থাপনা, উদ্যোগ, বাণিজ্য সকলো ক্ষেত্ৰতে দেশৰ প্ৰতি সম্পদ আগবঢ়াইছে।

শিৱসাগৰ জিলাত অৱস্থিত হাঁহচৰা নগা গাঁৱৰ কন্যাক যুৱক-যুৱতী সকলে শৈক্ষিক দিশত আগবাঢ়ি আহিছে। বৰ্তমানৰ প্ৰকল্প অধ্যয়নে তেওঁলোকৰ সবলীকৰণৰ বিভিন্ন দিশ জনাৰ উপৰিও সমাজ পৰিৱৰ্তনত তেওঁলোকৰ ভূমিকা, সামাজিক মূল্যবোধ আৰু সামাজিক অৱদানৰ বিষয়ে জনাত সহায় কৰিব।

## ১.২ অধ্যয়নৰ যুক্তিযুক্ততা (Rationale of the Study) ঃ

শিৱসাগৰ জিলাৰ হাঁহচৰা নগা গাঁৱৰ যুৱপ্ৰজন্মৰ শৈক্ষিক, সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক দিশত সবলীকৰণৰ অধ্যয়নে তেওঁলোকৰ প্ৰচলিত পৰম্পৰা আৰু বিকাশ সম্পৰ্কে জ্ঞান আহৰণত ছাত্ৰ-ছাত্ৰীক উপকৃত কৰিব। অসমত নগাসকল সংখ্যালঘু জনগোষ্ঠী। তেওঁলোকৰ প্ৰব্ৰজন হোৱা দুই শতিকা পাৰ হৈছে। সেয়েহে পৰম্পৰা আৰু সংস্কৃতিৰ যথেষ্ট পৰিৱৰ্তন সাধন হৈছে। নতুন প্ৰজন্মই পুৰণি সাংস্কৃতিক উপাদানসমূহ কম সংখ্যাতহে সংৰক্ষণ কৰিছে। সেয়ে পৰিৱৰ্তিত সময়ৰ প্ৰেক্ষাপটত অসমত বসবাস কৰা নগা জনগোষ্ঠীয় আধুনিক যুৱপ্ৰজন্মৰ সবলীকৰণৰ অধ্যয়নে লোক-সংস্কৃতিৰ পৰিৱৰ্তনৰো আভাস দাঙি ধৰিব।

বিভিন্ন পূৰ্বকৃত গৱেষণামূলক অধ্যয়ন তথা ক্ষেত্ৰভিত্তিক অধ্যয়নে নগা জনগোষ্ঠীৰ লোক-সংস্কৃতি আৰু সমাজ জীৱনক স্পৰ্শ কৰিছে যদিও যুৱপ্ৰজন্মৰ সবলীকৰণ দিশক সাঙুৰি লোৱা নাই। গতিকে, বৰ্তমানৰ প্ৰকল্প প্ৰতিবেদনে এই প্ৰয়োজনীয়তা পূৰণত অবিহনা আগবঢ়াব। বৰ্তমানৰ অধ্যয়নে প্ৰচলিত বৰ্ষ পৰ্যন্ত নগা জনগোষ্ঠীয় যুৱসকলৰ শৈক্ষিক আৰু অৰ্থনৈতিক সবলীকৰণৰ তথ্য দাঙি ধৰিব।

Apoi

### ১.৩ বিষয়বস্তুৰ সংজ্ঞা (Definition of Terms)ঃ

#### ১.৩.১ হাঁহচৰা নগা গাঁও ঃ

হাঁহচৰা নগা গাঁও শিৱসাগৰ জিলাৰ দিখৌ নৈৰ কাষত অৱস্থিত। এই গাঁও সদৰ ঠাই শিৱসাগৰৰ পৰা পশ্চিমে প্ৰায় ১৩ কি.মি. দূৰত্বত অৱস্থিত। শিৱসাগৰৰ পৰা গড়গাঁওলৈ যোৱা বি.জি. ৰোড (ভুবন গগৈ আলি, বৰ্তমান নাজিৰা আলি নামেৰে জনাজাত) ৰপৰা উত্তৰলৈ প্ৰায় এক কিলোমিটাৰ দূৰত্বত হাৰিপৰা আলিৰ দুয়োকাষে নগা গাঁও অৱস্থিত। এই গাঁৱৰ উত্তৰে লাটুম গাঁও, দক্ষিণে কছাৰী গাঁও, পশ্চিমে মৈৰামৰা সন্দিকৈ গাঁও আৰু পূবে লংকাক গোহাঁই গাঁও।

বৰ্তমান হাঁহচৰা নগা গাঁওত প্ৰায় ১০০ ঘৰ লোকৰ বসতিস্থল। গাঁওখনত কন্যাক নগা প্ৰধান লোকে বাস কৰে। তেওঁলোকে শ্ৰীমন্ত শংকৰদেৱৰএকশৰণ নামধৰ্ম গ্ৰহণ কৰে। তেওঁলোকৰ সমাজব্যৱস্থা পিতৃপ্ৰধান। সেয়ে সন্তানৰ নামকৰণ পিতৃৰ দিশৰ পৰা কৰা হয়। তেওঁলোক স্বভাৱত নিৰ্জু আৰু শান্তিপ্ৰিয়।

#### ১.৩.২ যুৱ সবলীকৰণ ঃ


যুৱসবলীকৰণ হৈছে যুৱসকলক একোটা সমূহৰ সিদ্ধান্ত গ্ৰহণ ব্যৱস্থাত অন্তৰ্ভুক্ত প্ৰক্ৰিয়া। এই প্ৰক্ৰিয়াই যুৱপ্ৰজন্মৰ স্থিতি আৰু চিন্তাধাৰাক প্ৰতিফলিত কৰে। বিশেষকৈ সংখ্যালঘু জনগোষ্ঠীৰ যুৱপ্ৰজন্মৰ সবলীকৰণ অতি প্ৰয়োজনীয় বিষয়। ৰাষ্ট্ৰীয় যুৱ নীতি ২০১৪ অনুসৰি ভাৰতত ১৫-২৯ বছৰ বয়সৰ ল'ৰা-ছোৱালীক যুৱ হিচাপে স্বীকৃতি দিয়া হৈছে। পূৰ্বে ২০০৩ বৰ্ষত ৰাষ্ট্ৰীয় যুৱ নীতিয়ে ১৩-৩৫ বছৰ বয়সৰ লোকসকলক সাঙুৰি 'যুৱ' হিচাপে স্বীকৃতি দিছিল। সেয়ে ২০১১ চনৰ লোকপিয়ল অনুসৰি ভাৰতত মুঠ জনসংখ্যাৰ ২৭.৫ শতাংশ ব্যক্তি ১৫-৩৫ বছৰ বয়সৰ যুৱক-যুৱতী আছিল। ২০২১ চনৰ ভাৰতৰ জনসংখ্যা সন্দৰ্ভত কাৰিকৰী দলে আগবঢ়োৱা প্ৰতিবেদন অনুসৰি মুঠ জনসংখ্যাৰ ২৭.৩ শতাংশ ব্যক্তি ১৫-২৯ বছৰ বয়সৰ যুৱক-যুৱতী।

অসমত যুৱ সবলীকৰণৰ চৰকাৰীভাৱে প্ৰদক্ষেপ গ্ৰহণ কৰা হৈছে। ২০১৭ বৰ্ষৰ পৰা স্বামী বিবেকানন্দ অসম যুৱ সবলীকৰণ আঁচনিৰ অধীনত যুৱক-যুৱতীসকলক উদ্যমিতাৰ কাৰণে ৫০,০০০ টকাৰ অনুদান আগবঢ়োৱা হৈছে। ক্ষুদ্ৰ ব্যৱসায়ৰ কাৰণে বিত্তীয় সাহায্য, চৰকাৰী ঋণ প্ৰদান কৰি নিবনুৱা যুৱক-যুৱতীক স্বাৱলম্বী কৰিবলৈ চেষ্টা কৰা হৈছে।

### ১.৪ অধ্যয়নৰ উদ্দেশ্য (Objectives of the Study) ঃ

প্ৰকল্পৰ বিষয়বস্তু অধ্যয়নৰ কাৰণে নিৰ্ধাৰণ কৰা উদ্দেশ্য হৈছে — শিৱসাগৰ জিলাৰ হাঁহচৰা নগাগাঁৱৰ যুৱসকলৰ সবলীকৰণ সম্পৰ্কে অধ্যয়ন কৰা।

উক্ত অধ্যয়নৰ কাৰণে প্ৰণালীবদ্ধ পদ্ধতি অৱলম্বন কৰি তথ্য আহৰণ কৰা হৈছে।



**চিত্ৰ ১ ঃ প্ৰকল্পৰ অধ্যয়নৰ উদ্দেশ্যে যাত্ৰাৰ সময়ত**
**মহাবিদ্যালয়ৰ সন্মুখত শিক্ষাতত্ত্ব বিভাগৰ শিক্ষকৰ সৈতে ষষ্ঠ যাণ্মাসিকৰ ছাত্ৰ-ছাত্ৰীসকল**

# অধ্যায় — ২

# শিৱসাগৰ জিলাৰ হাঁহচৰা নগা গাঁৱৰ বিৱৰণ

**২.০ প্ৰস্তাৱনা ঃ**

বিভিন্ন জাতি-জনগোষ্ঠীৰ মিনলক্ষেত্ৰ হৈছে এই অসম ভূ-খণ্ড। আহোম, কোচ, কছাৰী, ডিমাচা, কাৰ্বি, কোচ, নগা, চুতীয়া, মৰাণ, মটক, মিচিং, দেউৰী, বড়ো, তিৱা আদি জনগোষ্ঠীসমূহৰ ইতিহাস, অস্তিত্ব সভ্যতা আৰু সংস্কৃতিয়ে অসমভূমিক বিশ্বৰ বুকুত কৰি তুলিছে বৰ্ণাঢ্য আৰু সহস্ৰ গৌৰৱেৰে ঐতিহ্যমণ্ডিত। এই জনগোষ্ঠীসমূহ ভিন্ন ভাষা, ভিন্ন সাহিত্য-সংস্কৃতি, ভিন্ন পৰম্পৰা, ভিন্ন সামাজিক ৰীতি-নীতি আৰু ভিন্ন পৰিচয়ৰে অনাদিকালৰ পৰা অসমভূমিত বসবাস কৰি আহিছে। অসমত বসবাস কৰা বিভিন্ন জাতি-জনগোষ্ঠীসমূহৰ ভিতৰত নগা জনগোষ্ঠী অন্যতম। নগাসকলৰ বিভিন্ন ভাগ আছে। যেনে — আও, চেমা, লোথা, আংগামী, মেমিজ, ৰেংমা, ফম, চাং, চাংতাম, মাও, টাংখুল, মাৰাম, জেমি, মৈৰাও, মাৰিংচ আৰু কন্যাক। এই কন্যাক নগাসকল ঐতিহ্যমণ্ডিত শিৱসাগৰ জিলাত ২০০ বছৰতকৈ অধিক কাল বাস কৰি আহিছে। এই শিৱসাগৰ নগৰৰ পৰা প্ৰায় ১৩ (তেৰ) কিলোমিটাৰ পূবে শিৱসাগৰ হাঁহচৰা গাঁও। শিৱসাগৰ জিলাত মুঠ তিনিখন নগাগাঁও আছে। সেইকেইখন হৈছে — হাঁহচৰাৰ কন্যাক নগাগাঁও, গেলেকীৰ কন্যাক নগাগাঁও আৰু ভাধৰাৰ কন্যাক নগাগাঁও। গড়গাঁও চুণপোৰাতো সৰু এটি চুবুৰী আছে। হাঁহচৰাত বসবাস কৰি থকা নগাসকল কন্যাক জনগোষ্ঠীৰ।

কথিত আছে যে আহোম স্বৰ্গদেউ ৰজেশ্বৰ সিংহৰ ৰাজত্বকালত(১৭৫১-১৭৬৯) এই নগাসকলৰ পূৰ্বপুৰুষ টায়োং কন্যাক আদি প্ৰমুখ্যে কৰি মুঠ সাতজন ব্যক্তি বৰ্তমান চৰাইদেউ মহকুমাৰ শ্ৰীপুৰৰ উত্তৰ-পূব দিশত অৱস্থিত চিংফাং নামৰ ঠাইৰ পৰা আহিছিল। সেই সময়ৰ মৈৰামৰা সত্ৰৰ সত্ৰাধিকাৰ দেৱানন্দ মহন্তদেৱক স্বৰ্গদেউ ৰাজেশ্বৰ সিংহই দান কৰা মাটি ফুলচোং পুখুৰীৰ পাৰত প্ৰথমে সাতজন লোকে সাতটি ঘৰ সাজি বসতি কৰিছিল। পিছলৈ আৰু আন পাঁচজন লোকে আহি এটা সময়ত মুঠ বাৰঘৰ হৈ গাঁও বাস কৰে বুলি জনা যায়।

**২.১ কন্যাক নগাসকলৰ সামাজিক আৰু সাংস্কৃতিক জনজীৱন ঃ**

শিৱসাগৰ জিলাৰ হাঁহচৰা নগা গাঁৱত বাস কৰি অহা কন্যাক নগা জনগোষ্ঠী লোকসকলে পৰম্পৰাগত নগা সংস্কৃতি আৰু লোকাচাৰ পালন কৰি আহিছে। তেওঁলোকৰ সাংস্কৃতিক দিশ সম্পৰ্কে চমু বৰ্ণনা আগবঢ়োৱা হ'ল —

**উৎসৱ ঃ** কন্যাকসকলৰ ঋতুকালীন উৎসৱ তিনিটা।

**আওলিং ঃ** বসন্ত ঋতুত তেওঁলোকে আওলিং উৎসৱ পালন কৰে আৰু নতুন বছৰক আদৰণি জনায়। এই উৎসৱৰ সৈতে কন্যাকসকলৰ পৰম্পৰাগত ৰীতি-নীতি, গীত, বাদ্য, নৃত্য, সাজপাৰ, খাদ্য আদি লোকাচাৰসমূহ ওতঃপ্ৰোতভাৱে জড়িত হৈ আছে।

**পামৌ ঃ** কন্যাকসকলে শীতকালত মাঘ মাহৰ পূৰ্ণিমাৰ দিনা পামৌ উৎসৱ পালন কৰে। উৎসৱৰ প্ৰথম দিনা পুৰুষসকলে মৰংঘৰত গাহৰি মাংস আৰু পৰম্পৰাগত পানীয় 'যু'ৰৈ' ভোজ খায়। দ্বিতীয়দিনা পুৰুষসকলে সমূহীয়া চিকাৰ কৰিবলৈ যায়।

**বিবাহ অনুষ্ঠান ঃ** কন্যাকসকলৰ বিবাহ অনুষ্ঠানক 'নাওমা পইপু' বুলি কোৱা হয়।

**খেল-ধেমালি ঃ** কন্যাক নগাসকলে উৎসৱ-পাৰ্বনত পৰম্পৰাগত খেল-ধেমালি পালন কৰে। এই খেলসমূ হ প্ৰধানকৈ বাঁহক কেন্দ্ৰ কৰি পালন কৰা হয়।

**ঔষধ ঃ** কন্যাক নগাসকলৰ থলুৱা বনৌষধী চিকিৎসা আছে। লোকবিশ্বাসৰ মাজেৰ এই চিকিৎসা প্ৰণালী প্ৰচলন হৈ আহিছিল। বৰ্তমান তেওঁলোকে আধুনিক চিকিৎসা ব্যৱস্থাও গ্ৰহণ কৰে।

**ধৰ্ম ঃ** কন্যাকসকলৰ পৰম্পৰাগত ধৰ্ম আছে। অসমত বাস কৰা কন্যাক নগাসকলেও এই পৰম্পৰা মানি চলি আহিছে। তেওঁলোকে ইষ্ট দেৱতাক 'কাৱাং' অৰ্থাৎ আকাশৰ দেৱতা হিচাপে গণ্য কৰে। উৎসৱ-পাৰ্বণ বা লোকাচাৰ অনুষ্ঠান পালন কৰোতে মৰংঘৰত আৰু প্ৰত্যেকৰে ঘৰত থকা লাইখুঁটা 'থংনু'ত 'কাংৱাং' লৈ কুকুৰা উচৰ্গা কৰে। তেওঁলোকে পৰম্পৰাগত জনগোষ্ঠীয় নগাসকলে শ্ৰীমন্ত শংকৰদেৱৰ একশৰণ নামধৰ্ম গ্ৰহণ কৰি বৈষ্ণৱপন্থী হৈ পৰিছে।

**পূজা ঃ** তেওঁলোকে পূৰ্বতে শিলৰমূৰ্তি বিশ্বাস কৰি আহিছিল। বৰ্তমানো পৰম্পৰাগত পূজাসমূহ পালন কৰে।

Appi

**শিল্প-কলা ঃ** কন্যাকসকল শিল্প-কলাত আগবঢ়া। তেওঁলোকে কাঠৰ পুতলা নিৰ্মাণ শৈলীত পাকৈত।

**ভাষা ঃ** কন্যাক নগাসকলৰ নিজস্ব দোৱান আছে। এই ভাষাত তেওঁলোকে নিজৰ মাজত কথা-বতৰা পাতে। কন্যাক শিশুসকলৰ জন্মৰ পাছতে পোচাকী নামৰ উপৰিও নগা দোৱানত একোটা নাম ৰাখে।

**সাজপাৰ ঃ** কন্যাক নগাসমাজৰ মহিসাসকলে ত্ৰিচা (পৰম্পৰাগত মেখেলা), ৰঙা চোলা আৰু এখন চাদৰ মেৰিয়াই পৰিধান কৰে। পুৰুষসকলে পৰম্পৰাগত চোলা 'ঐয়াফাকচ' আৰু 'ত্ৰিপাক' বস্ত্ৰ পৰিধান কৰে। মৃৰত ধনেশ চৰাইৰ পাখি লগোৱা পৰম্পৰাগত টুপি 'খাংচ' পিন্ধে। তেওঁলোকে বিভিন্ন শৈলীৰ মালা 'লৌক' পৰিধান কৰে। কন্যাক পুৰুষসকলে হাতত 'লকগ' আৰু 'ৰাখজং' নামৰ অলংকাৰ, ডিঙিত 'গাংখং', 'মইচাখাং', 'মইগালিক' নামৰ অলংকাৰ পিন্ধে আৰু কান্ধত 'চমপাক' নামৰ বস্ত্ৰ লয়। তেওঁলোকে পৰম্পৰাগত টুপী 'খ'হম' পৰিধান কৰে।

**বাদ্যযন্ত্ৰ আৰু নৃত্য ঃ** তেওঁলোকে মৰংঘৰত 'টুংখুং' (কাঠেৰে নিৰ্মিত নাও আকৃতি) নামৰ বাদ্যযন্ত্ৰ ৰাখে আৰু প্ৰয়োজনৰ সময়ত বিশেষকৈ উৎসৱত আৰু কোনো পুৰুষৰ মৃত্যু হ'লে বজায়। কন্যাক নগাসকলে পা (যাঠি), চ্যাংম (দা) আৰু কান্ধত ৰাইচঙ (হোৰা) লৈ নৃত্য কৰে। মহিলাসকলেও 'ঐয়া চাইপ' নৃত্য কৰে।




চিত্ৰ ২ ঃ নগা যুৱকসকলে টুংখুং বজাই থকা চিত্ৰ



চিত্ৰ ৩ ঃ নগাগৃহৰ লাইখুঁটা

**হাঁহচৰা নগা গাঁৱৰ মানচিত্ৰখন তলত উপস্থাপন কৰা হ'ল —**




মানচিত্ৰ ঃ হাঁহচৰা নগা গাঁৱৰ মানচিত্ৰ

# অধ্যায় — ৩

# অধ্যয়নৰ পদ্ধতি আৰু নিয়মাৱলী

### ৩.০ পদ্ধতি আৰু নিয়মাৱলী (Methods and Procedures) ঃ

প্ৰকল্পৰ নিৰ্ধাৰিত লক্ষ্যত উপনীত হোৱাৰ উদ্দেশ্যে বৰ্ণনামূলক পদ্ধতি ব্যৱহাৰ কৰা হৈছে। অধ্যয়নৰ কাৰণে সমল সংগ্ৰহ কৰিবলৈ হাঁহচৰা নগাগাঁও ক্ষেত্ৰ হিচাপে নিৰ্বাচন কৰি যুৱসকলৰ জৰীপ কৰা হৈছে।

### ৩.১ জনসমষ্টি আৰু নমুনা দল (Population and Sample) ঃ

শিৱসাগৰ জিলাৰ হাঁহচৰা নগাগাঁৱৰ মুঠ জনসংখ্যা প্ৰায় ৫০০ জন। তেওঁলোকৰ গাঁৱত ১০০ ঘৰ লোকে বাস কৰে। উক্ত জনসমষ্টিৰ পৰা অধ্যয়নৰ উদ্দেশ্যৰ ভিত্তিত নিজস্ব সুবিধা অনুযায়ী (Incidental Sampling) পদ্ধতি ব্যৱহাৰ কৰি ৩০ জন যুৱক-যুৱতীক নমুনা দল হিচাপে নিৰ্বাচন কৰা হৈছে।

### ৩.২ সঁজুলি আৰু কৌশল (Tools and Technique) ঃ

প্ৰকল্পৰ তথ্য সংগ্ৰহ কৰিবলৈ প্ৰস্তুতকৰ্তাই নিজে প্ৰস্তুত কৰি নমুনা দলৰ ওপৰত প্ৰয়োগ কৰা হৈছে —

ক) সাক্ষাৎকাৰ সূচী (Interview Schedule) ঃ শিৱসাগৰ জিলাৰ হাঁহচৰা নগাগাঁৱৰ যুৱসকলৰ সবলীকৰণ সম্পৰ্কে অধ্যয়ন কৰিবলৈ ১২ টা প্ৰশ্ন সম্বলিত এখন সাক্ষাৎকাৰসূচী প্ৰস্তুত কৰা হয়। সাক্ষাৎকাৰ সূচীত চাৰিটা কাৰক — সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক আৰু শৈক্ষিক দিশত প্ৰশ্ন অন্তৰ্ভুক্ত কৰা হৈছে। ইয়াৰ ১১ টা প্ৰশ্ন বন্ধ প্ৰকৃতিৰ আৰু ১ টা প্ৰশ্ন মুক্ত প্ৰকৃতিৰ।

### ৩.৩ তথ্য সংগ্ৰহ প্ৰণালী (Procedure of Collection of Data) ঃ

প্ৰকল্প প্ৰস্তুতকৰ্তাই তথ্য সংগ্ৰহৰ কাৰণে প্ৰাথমিক উৎস আৰু গৌণ উৎসৰ সহায় লৈছে। প্ৰকল্পকৰ্তাই হাঁহচৰা নগা গাঁৱত তথ্য সংগ্ৰহৰ উদ্দেশ্যে ২১ মাৰ্চ ২০২৩ বৰ্ষত উপস্থিত হৈছিল। নিৰ্বাচিত নমুনা দলক সাক্ষাৎকাৰসূচীৰ প্ৰয়োগ কৰোতে নিদেৰ্শনা অনুসৰি প্ৰশ্নসমূহৰ উত্তৰ অধ্যয়নকাৰীয়ে লিপিবদ্ধ কৰি গৈছে। গৌণ উৎস হিচাপে অধ্যয়নকাৰীয়ে নগাসকলৰ বিষয়ে বিভিন্ন গ্ৰন্থ, আলোচনী, বাতৰিকাকত আৰু ইন্টাৰনেটত উপলব্ধ লিখনি আৰু তথ্যৰ সহায় লৈছে।

### ৩.৪ তথ্য বিশ্লেষণ প্ৰণালী (Procedure of Analysis of Data) ঃ

সংগ্ৰহীত তথ্য বিশ্লেষণ কৰিবলৈ নিৰ্ধাৰিত কাৰকৰ ভিত্তিত বৰ্ণনা কৰা হৈছে আৰু সাংখ্যিক গণনাৰ ভিত্তিত সংগ্ৰহীত তথ্যৰ তালিকা প্ৰস্তুত কৰা হৈছে।

### ৩.৫ অধ্যয়নৰ সীমাবদ্ধতা (Limitation of Study) ঃ

প্ৰকল্পৰ সীমাবদ্ধতাসমূহ হৈছে —

ক) প্ৰকল্পৰ অধ্যয়নৰ পৰিসৰ শিৱসাগৰ জিলাৰ হাঁহচৰা নগা গাঁৱত সীমাবদ্ধ কৰা হৈছে।

খ) উক্ত অধ্যয়নত হাঁহচৰা নগা গাঁৱৰ যুৱক-যুৱতী হিচাপে কেৱল ১৫-২৯ বয়সৰ লোকসকলকহে সাঙুৰি লোৱা হৈছে।

গ) উক্ত অধ্যয়নৰ সময় হিচাপে কেৱল ২০২৩ বৰ্ষ নিৰ্ধাৰণ কৰি লোৱা হৈছে।

ঘ) উক্ত অধ্যয়নৰ সময় হিচাপে হাঁহচৰা নগা গাঁৱৰ যুৱসকলে সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক আৰু শৈক্ষিক দিশত নিজে অংশগ্ৰহণ কৰি সম্পাদন কৰা কাৰ্যহে সাঙুৰি লোৱা হৈছে।

# অধ্যায় — ৪

## শিৱসাগৰ জিলাৰ হাঁহচৰা নগা গাঁৱৰ যুৱ সবলীকৰণ

### ৪.০ তথ্য বিশ্লেষণ আৰু উপস্থাপন (Analysis and Interpretation of Data) ঃ

হাঁহচৰা নগা গাঁৱত অধ্যয়নকাৰীয়ে সংগ্ৰহ কৰি অনা তথ্যসমূহ নিম্নোক্ত ভাগত বিশ্লেষণসহ উপস্থাপন কৰা হ'ল—

### ৪.১ সামাজিক দিশত সবলীকৰণ (Social Empowerment) ঃ

এখন সুস্থ সমাজ গঢ়ি তোলাত যুৱপ্ৰজন্মৰ ভূমিকা অপৰিসীম। প্ৰতিজন যুৱকে ভৱিষ্যতে নিজকে এজন সুব্যক্তিত্বসম্পন্ন ব্যক্তি হিচাপে গঢ়ি তুলিবলৈ সামাজিকভাৱে সমাযোজিত হোৱা অতি প্ৰয়োজনীয়।

শিৱসাগৰ জিলাৰ হাঁহচৰা নগা গাঁৱৰ যুৱক-যুৱতীসকলে গাঁওখনৰ সুন্দৰ সামাজিক পৰিৱেশ বৰ্তাই ৰাখিবলৈ বিভিন্ন সামাজিক কাম-কাজত অংশগ্ৰহণ কৰে। তেওঁলোক নাগালেণ্ডৰ মনজিলাৰ বাসিন্দা আছিল যদিও আধুনিক নগা সমাজত থলুৱা সংস্কৃতিৰ প্ৰভাৱ সুস্পষ্ট। নগা গাঁৱৰ যুৱক-যুৱতীসকলে অংশগ্ৰহণ কৰা সামাজিক কাৰ্যাৱলী হৈছে —

**উৎসৱ পাৰ্বণত ভূমিকা ঃ** কন্যাক নগাসকলে কৃষিভিত্তিক উৎসৱ সমূহীয়াভাৱে পালন কৰে। তেওঁলোকে জোনৰ হিচাপত বিহু পালন কৰে। ফাগুন মাহৰ পূৰ্ণিমাৰ পাছত প্ৰথম জোন ওলোৱাৰ দিনৰ পৰা তিনিদিনীয়াকৈ তেওঁলোক পৰম্পৰাগত উৎসৱ পালন কৰে। এই উৎসৱত ডেকা-গাভৰুৰ ভূমিকা সক্ৰিয়। সন্ধিয়া গাঁৱৰ ডেকাসকলে মৰংঘৰত টুংখুং বজায়, পৰম্পৰাগত নৃত্যৰ আখৰা কৰে আৰু ইষ্টদেৱতাক উদ্দেশ্যি ভোজৰ আয়োজন কৰে। দিনত মৰংঘৰৰ সন্মুখত ডেকা আৰু চেমনীয়াসকলে বৃত্তাকাৰ হৈ হুঁচৰি গায়। গাভৰুসকলেও কমবয়সীয়া ছোৱালীৰ লগ হৈ পৰম্পৰাগত সাজপাৰ পৰিধান কৰি সমূহীয়াভাৱে নৃত্য পৰিৱেশন কৰে।ছোৱালীবোৰে ঘৰে ঘৰে গৈ বিহু পৰিৱেশন কৰে। সকলোৱে লগ হৈ মৰংঘৰৰ সন্মুখত পৰম্পৰাগত ভাতৰ টোপোলাৰে আহাৰ গ্ৰহণ কৰে। বিহুত যুৱকসকলে বিভিন্ন খেলত অংশগ্ৰহণ কৰে। তেওঁলোকৰ মাজত প্ৰচলিত খেলসমূহ হৈছে — বাঁহ নৃত্য, পুতি থোৱা বাঁহৰ ওপৰত বগাই যোৱা, পাটীত বাঁহ পাৰি শুই লৈ সাৰটি বাঁহডাল উঠা-নমা কৰা, ওখজাঁপ, ৰছী টনা আদি। এই খেলসমূহত অংশগ্ৰহণ কৰাৰ জৰিয়তে যুৱকসকলৰ শাৰীৰিক সক্ষমতা আৰু বৃদ্ধি জুখি চোৱা হয়।

কন্যাকসকলৰ বিবাহ অনুষ্ঠানত সকলোৱে অংশগ্ৰহণ কৰি আনন্দ কৰে। বিবাহত ল'ৰা বা মাক-দেউতাকৰ পছন্দ আৰু অধিকাৰৰ প্ৰাধান্য অধিক ছোৱালীৰ অধিকাৰ কিছু কম। অৱশ্যে দৰাঘৰত কইনা থৈ অহা বা ঘৰলৈ লৈ অহা কাৰ্যত সখীয়েকসকলৰ ভূমিকা গুৰুত্বপূৰ্ণ।

**লোক পৰিৱেশ্য কলা ঃ** কন্যাক নগাসকলৰ স্বকীয় নৃত্য, গীত আৰু বাদ্যযন্ত্ৰ আছে। তেওঁলোকে প্ৰধানকৈ টুংখুং আৰু মহৰ শিঙৰ পেঁপা ব্যৱহাৰ কৰে। লোক পৰিৱেশ্য কলা প্ৰদৰ্শন কৰি কন্যাক যুৱক-যুৱতীয়ে পুৰস্কাৰ বুটলিবলৈও সক্ষম হৈছে। অৱশ্যে আধুনিক প্ৰজন্মৰ যুৱসকল বাদ্যযন্ত্ৰ নিৰ্মাণ বা থলুৱা সাংস্কৃতিক সম্পদ নিৰ্মাণত জড়িত হোৱাৰ সংখ্যা তেনেই কম।

**লোক-সংস্কৃতি ঃ** আধুনিক প্ৰজন্মৰ নগা যুৱক-যুৱতীসকলৰ মাজত পৰম্পৰাগত গীত-মাত, সাধু দোৱান আদিৰ প্ৰচলন যথেষ্ট কম। তেওঁলোকে অসমীয়া থলুৱা সাংস্কৃতিৰ সমন্বয়ত পৰিৱৰ্তনশীল সমাজত মিলি গৈছে। বহু যুৱক-যুৱতীয়ে অসমীয়া সংস্কৃতি আৰু পাশ্চাত্য সংস্কৃতিৰ প্ৰতিও আকৃষ্ট হৈছে।



**আলোকচিত্ৰ ৪ ঃ মৰংঘৰৰ সন্মুখত যুৱকসকলৰ অংশগ্ৰহণ**

**মৰংঘৰ নিৰ্মাণ ঃ** গাঁওখনৰ ব্যক্তিসকল হিন্দী ধৰ্মাৱলম্বী। ধৰ্মীয় স্থান হিচাপে গাঁওখনত এটা মৰংঘৰ আছে। গাঁৱৰ যুৱকসকলে মৰংঘৰ নিৰ্মাণ কাৰ্যত আৰু মৰংঘৰৰ বিভিন্ন ধৰ্মীয় কাৰ্যসূচীত অংশগ্ৰহণ কৰে।

**প্ৰচলিত পৰম্পৰা ৰক্ষাত যুৱপ্ৰজন্মৰ ভূমিকা ঃ** কন্যাক নগাসকলৰ প্ৰচলিত পৰম্পৰা ৰক্ষাৰ ক্ষেত্ৰত যুৱ-প্ৰজন্মই গুৰুত্বপূৰ্ণ

ভূমিকা পালন কৰে। গাঁওখনৰ বহুকেইজন যুৱক-যুৱতীয়ে বাঁহৰ গগনা, খৰাহী, পাচি, বিচনী, টোম আৰু বিভিন্ন পৰিধান কৰা টুপী আদি সাজে। বাঁহ গছৰ পৰা বিভিন্ন চুঙা কাটি সাজি সেই চুঙাৰ ওপৰত চবাই-চিৰিকটি আৰু মানুহৰ ছবি আঁকি বিভিন্ন ৰঙেৰে বোলাই ঘৰৰ ড্ৰয়িং ৰুমত সজাই ৰাখে। কিছুমান কাঠৰ বস্তুও সাজে। কাঠত কাটি তৈয়াৰ কৰা বাঘ আদি শিল্পকলা মৰংঘৰত সযতনে ৰাখে। তদুপৰি তেওঁলোকে মৰংঘৰত কাঠেৰে নিৰ্মিত 'খাম' (টুংখুং) নামৰ বাদ্যযন্ত্ৰটোও ৰাখে।



আলোকচিত্ৰ ৫ ঃ আওলিং উৎসৱত যুৱতী সকলৰ অংশগ্ৰহণ



আলোকচিত্ৰ ৬ ঃ উৎসৱত ব্যৱহৃত চিকাৰৰ মূৰ

**যুৱসংঘ ঃ** নগা গাঁওখনত যুৱসংঘ আছে আৰু সংঘই মাজে-সময়ে গাঁৱৰ পৰিৱেশ নিকাকৰণ, গছপুলি ৰোপণ আদি পৰিৱেশ সচেতন সম্পৰ্কীয় কাৰ্য্যাৱলী সম্পাদন কৰে।

**আত্মসহায়ক গোট ঃ** গাঁৱৰ কম সংখ্যক যুৱতীহে আত্মসহায়ক গোটৰ লগত জড়িত হৈ আছে। যুৱকসকল আত্মসহায়ক গোটৰ লগত জড়িত নাই।

**চৰকাৰী সা-সুবিধা ঃ** গাঁৱৰ যুৱসমাজ জীৱিকাৰ বাবে চৰকাৰী সা-সুবিধাৰ পৰা উপকৃত হোৱা নাই। অৱশ্যে চৰকাৰী সাহায্যৰ জৰিয়তে গাঁৱত লাইব্ৰেৰী, ডাষ্টবিন আদি নিৰ্মাণ কৰা হৈছে।


**বে-চৰকাৰী সংস্থা ঃ** গাঁৱৰ যুৱসমাজ কোনো বে-চৰকাৰী সংস্থাৰ লগত জড়িত নহয়।

**পৰম্পৰা ঃ** অতীজতে কন্যাকসকলে বাঁহ-বেতৰ সামগ্ৰী নিৰ্মাণ কৰি ব্যৱহাৰ কৰিছিল। কাঠ, ধাতু আৰু মাটিৰে নিৰ্মিত সামগ্ৰীও ব্যৱহাৰ কৰিছিল। সময়ৰ লগে লগে আধুনিক যুৱকসকলৰ এনে কৰ্মৰ প্ৰতি স্পৃহা কমি গৈছে। সেইদৰে বৰ্তমানৰ যুৱতীসকলে বজাৰৰ পৰা ক্ৰয় কৰি অনা বস্ত্ৰৰ ওপৰত নিৰ্ভৰশীল হৈ পৰিছে। তেওঁলোকে হাঁতে বোৱা পৰম্পৰাগত বস্ত্ৰ নিৰ্মাণ শৈলীৰ তাঁতশালখনৰ ব্যৱহাৰ কমি আহিছে। একেবাৰে কমসংখ্যক যুৱতীয়েহে বস্ত্ৰ তাঁতখনত কাপোৰ বব শিকিছে। তেওঁলোকে পিন্ধা অলংকাৰসমূহ নগালেণ্ডৰ পৰা আনে।

### ৪.২ ৰাজনৈতিক দিশত সবলীকৰণ (Political Empowerment)ঃ

হাঁহচৰা নগা গাঁৱৰ যুৱক-যুৱতীসকল ৰাজনৈতিক জনজীৱনত সক্ৰিয় নহয়। গাঁৱৰ দুজন ব্যক্তিয়ে পঞ্চায়ত নিৰ্বাচনত বহুবছৰ পূৰ্বে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছিল যদিও বৰ্তমান কোনো যুৱক-যুৱতীয়ে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱাৰ উদাহৰণ নাই। শিক্ষিত আৰু সচেতন যুৱক-যুৱতীসকল ভোটদান প্ৰক্ৰিয়াত জড়িত। ১৯৭১ চনত নগা গাঁও উন্নয়ন সমিতি গঠন কৰি তেওঁলোকে গাঁৱৰ উন্নয়নৰ কাৰণে কাম কৰি আহিছে। বৰ্তমান সভাপতি আৰু সম্পাদকসহ বাৰজনীয়া সমিতি আছে যদিও ৰাজনৈতিক ক্ষেত্ৰত তেওঁলোকৰ সক্ৰিয়তা সীমিত। ১৯৭৫ চনতে স্থাপন কৰা মৰংঘৰত গাঁৱৰ জ্যেষ্ঠসকলে সকলো ১৫-২০ বছৰ বয়সৰ ল'ৰাক একোটা গোট হিচাপে নিৰ্বাচন কৰি ৰাতি থকাৰ ব্যৱস্থা কৰি দিয়ে। গাঁৱত চুৰি-ডকাইটিৰ পৰা ৰক্ষা কৰিবলৈ তেওঁলোকে পালপাতি পহৰা দিব লাগে। কোনো মানুহ ৰাতি বিপদত পৰিলে তেওঁলোকে সহায় কৰে। তেওঁলোকে ৰাতি নিজৰ দা আৰু লেম হাতত লৈ মৰংঘৰত থাকিবলৈ অহাটো বাধ্যতামূলক। কোনো সমস্যা সমাধান কৰিব নোৱাৰিলে তেওঁলোকে বাইজৰ মাজলৈ মীমাংসাৰ কাৰণে বিষয়বস্তু এৰি দিয়ে। জ্যেষ্ঠসকলে বিচাৰ কৰি যি ৰায় দিয়ে দোষী সাব্যস্ত হ'লে অভিযুক্তই বাইজে ৰায় দিয়া অনুসৰি জৰিমনা দিবলৈ বাধ্য হয়। মৰংঘৰৰ বিষয়বাব লোৱা সকলো ব্যক্তিয়ে গাঁৱত যিকোনো অনুষ্ঠানত অংশগ্ৰহণ কৰে আৰু বাইজকো জাননী দি আগতীয়াকৈ জনাই দিয়ে। নগা গাঁওৰ সকলো কাম বয়োজ্যেষ্ঠ অনুযায়ী পদবীত ভাগ কৰি দিয়া হয়। গাঁৱৰ স্থানীয় শাসন প্ৰণালীত যুৱকসকলৰ ভূমিকা অতি সবল।

অসমত বসবাস কৰা কাৰণে নগালেণ্ডৰ ৰাজনৈতিক ঘটনাবলীয়ে তেওঁলোকক প্ৰভাৱিত নকৰে। তেওঁলোকৰ যুৱপ্ৰজন্ম স্থানীয় ৰাজনৈতিক জনজীৱনৰ সৈতে খাপ খাই পৰিছে।



নগা গাওঁ উন্নয়ন সমিতি গঠন হোৱাৰ দিনৰে পৰা সভাপতি আৰু সম্পাদকৰ পদ অলঙ্কৃত কৰা ব্যক্তি সকলৰ কাৰ্য্যকালৰ তালিকা

| ক্ৰঃ | সভাপতি | সম্পাদক | কাৰ্য্যকাল পৰা | লৈ |
|---|---|---|---|---|
| ১ | শ্ৰী ৰেটাই কন্যাক | শ্ৰী অংৱাং শ্যামা | ১৯৭১ | ১৯৭৬ |
| ২ | „ অংৱাং শ্যামা | „ ৱাংজিং শ্যামা | ১৯৭৬ | ১৯৮১ |
| ৩ | „ ৱাংখো ৱাংছু | „ মানথক কন্যাক | ১৯৮১ | ১৯৮২ |
| ৪ | „ আম্বু কন্যাক | „ মাধৱ কন্যাক | ১৯৮২ | ১৯৮৯ |
| ৫ | „ ৱাংজান কন্যাক | „ মুকুট কন্যাক | ১৯৮৯ | ১৯৯৪ |
| ৬ | „ ৱাংলেম শ্যামা | „ পূৰ্ণ কন্যাক | ১৯৯৫ | ২০০১ |
| ৭ | „ মুকুট কন্যাক | „ অমৰজ্যোতি কন্যাক | ২০০১ | ২০০৩ |
| ৮ | „ অমৱাং কন্যাক | „ মানিক কন্যাক | ২০০৩ | ২০০৫ |
| ৯ | „ উমা (লেমৱাং) কন্যাক | „ দুলেশ্বৰ কন্যাক | ২০০৫ | ২০০৭ |
| ১০ | „ | „ | ২০০৭ | ২০০৯ |
| ১১ | „ খাটৱাং কন্যাক | „ পূৰ্ণ কন্যাক | ২০০৯ | ২০১১ |
| ১২ | „ উমা (ডাঃ) কন্যাক | „ টিনাই কন্যাক | ২০১১ | ২০১৩ |
| ১৩ | „ ৱাংক্যুই কন্যাক | „ অমৰজ্যোতি কন্যাক | ২০১৩ | |
| ১৪ | „ | | | |
| ১৫ | „ | | | |
| ১৬ | „ | | | |

**আলোকচিত্ৰ ৭ ঃ নগা গাঁও উন্নয়ন সমিতিত যুৱপ্ৰজন্মৰ অংশগ্ৰহণ**

**৪.৩ অৰ্থনৈতিক সবলীকৰণ** (Economic Empowerment) ঃ

বৰ্তমানৰ যুগ হৈছে বিজ্ঞানৰ যুগ। বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ দ্ৰুত উন্নয়নৰ এই সময়ছোৱাত বিশ্বৰ উন্নত দেশবোৰৰ লগতে উন্নয়নশীল দেশসমূহে অৰ্থনৈতিক ক্ষেত্ৰখনত পূৰ্বৰ তুলনাত যথেষ্ট পৰিমাণে আগবাঢ়ি গৈছে। সেয়েহে এই সময়ছোৱাত যুৱপ্ৰজন্ম অৰ্থনৈতিকভাৱে স্বাৱলম্বী হোৱাটো অতি প্ৰয়োজনীয়। নগাসমাজৰ যুৱ প্ৰজন্মও বৰ্তমান কিছু পৰিমাণে সবল হোৱা পৰিলক্ষিত হয়।



**আলোকচিত্ৰ ৮ ঃ কন্যাক নগা যুৱতীৰ হাঁহ-কুকুৰা পালন**

শিৱসাগৰ হাঁহচৰা নগা গাঁৱৰ যুৱক-যুৱতী-যুৱতীসকলে অৰ্থনৈতিকভাৱে স্ব-নিৰ্ভৰশীল হ'বৰ বাবে বহুতো চৰকাৰী বা বেচৰকাৰী চাকৰি, বিভিন্ন দিশত ব্যৱসায়, দিন হাজিৰা আদি বিভিন্ন কামত নিয়োজিত হৈ আছে। গাঁৱৰ কেইবাজনো যুৱক-যুৱতীয়ে পশুপালন (গাহৰি, কুকুৰাৰ ফাৰ্ম) কৰি আৰ্থিকভাৱে টনকিয়াল হৈছে। কেইবাগৰাকীমান যুৱতীয়ে পাৰ্লাৰত নিয়োজিত হৈ আছে, আন কেইগৰাকী যুৱক-যুৱতীয়ে আকৌ বে-চৰকাৰী বিদ্যালয়ত কৰ্মসংস্থাপনৰ যোগেদি আৰ্থিক সকাহ লাভ কৰিছে।

গাঁৱৰ দুজন যুৱক কয়লাৰ ব্যৱসায়ৰ লগত জড়িত হৈ আছে। প্ৰায় বিশজন যুৱকে দোকান-পোহাৰ দি আৰ্থিক সকাহ লভিছে। চিকিৎসক, অ.এন.জি.চি বিষয়া, ৰেলৱে' কৰ্মচাৰী, ফাৰ্মাচিষ্ট আদি বহুকেইগৰাকী চৰকাৰী চাকৰিত নিয়োজিত যুৱক-যুৱতীও গাঁওখনত আছে। অৱশ্যে শিক্ষাগত অৰ্হতা কাম থকা বহু যুৱকে ৰাজমিস্ত্ৰী জীৱন নিৰ্বাহ কৰিছে। হাঁহচৰা নগা গাঁৱত বৰ্তমান ১৫-২৯ বছৰ বয়সৰ ভিতৰত নিয়োজিত হৈ থকা যুৱক-যুৱতীসকলৰ সংখ্যা তলৰ তালিকাত বৃত্তিসহ দাঙি ধৰা হ'ল—

**তালিকা নং ১ ঃ** হাঁহচৰা নগা গাঁৱৰ যুৱক-যুৱতীৰ কৰ্মসংস্থাপনৰ তালিকা —

| বৃত্তি | যুৱক-যুৱতীৰ সংখ্যা |
|---|---|
| বিদ্যালয়ত শিক্ষকতা | ২ |
| মহাবিদ্যালয়ত শিক্ষকতা | ১ |
| চিকিৎসক | ১ |
| অভিযন্তা | ১ |
| আৰক্ষী | ১ |
| ৰেল বিভাগৰ কৰ্মচাৰী | ১ |
| বিদ্যু বিভাগ | ১ |
| চৰকাৰী কাৰ্যালয় | ১ |
| অ.এন.জি. চি | ১ |
| দোকান | ২০ |
| কয়লা ব্যৱসায় | ২ |
| কেন্দ্ৰীয় সেনা | ৪ |
| বেচৰকাৰী বিদ্যালয় | ৪ |
| ওকালতি | ১ |
| ফাৰ্মাচী | ১ |
| আত্মসহায়ক গোট | ৩ |
| বিঁউটি পাৰ্লাৰ | ১ |

গাঁৱৰ ব্যক্তিয়ে বনপালক, বনসংৰক্ষক, কেৰাণী, চকীদাৰ, গাড়ীচালক, প্ৰতিৰক্ষা বিভাগ, অ.এন.জি.চি. বৃত্তিতো নিয়োজিত হৈ জীবিকা-নিৰ্বাহ কৰিছে। বৰ্তমান কোনো যুৱক-যুৱতী এই বৃত্তিত মকৰল হোৱা নাই।

অতীজতে তেওঁলোক চাংঘৰত বাস কৰিছিল। কিন্তু বৰ্তমান অসমৰ থলুৱা গৃহনিৰ্মাণ শৈলীত আবাসগৃহ নিৰ্মাণ কৰা হয়। এনে নিৰ্মাণ শৈলীত স্থানীয় কাৰিকৰী প্ৰয়োগ হয়। সৰহ সংখ্যক যুৱক এনেধৰণৰ গৃহনিৰ্মাণ কাৰ্যত নিয়োজিত হৈ আছে। সেইদৰে নিবনুৱা যুৱতীসকল ঘৰতে হাঁহ-কুকুৰা, গাহৰি পালন আদিতে জড়িত হৈ স্বাৱলম্বী হৈছে।

### ৪.৪ শৈক্ষিক সবলীকৰণ (Educational Empowerment) ঃ

যুৱ সবলীকৰণ কৰি তুলিব পৰা এক শক্তিশালী মাধ্যম হৈছে শিক্ষা। শিক্ষাই যুৱক-যুৱতীসকলৰ ব্যক্তিত্ব বিকাশৰ লগতে মানসিকভাৱে এজন ব্যক্তিত্বপূৰ্ণ লোক হিচাপে গঢ়ি তোলে।

হাঁহচৰা নগা গাঁৱৰ যুৱক-যুৱতীসকল শিক্ষাৰ ক্ষেত্ৰত আগবঢ়া। তেওঁলোক সাক্ষৰ যদিও যুৱকসকলতকৈ যুৱতীসকল উচ্চশিক্ষাৰ ক্ষেত্ৰত অধিক আগবাঢ়ি গৈছে। যুৱতীসকল শিক্ষাৰ লগতে কাৰ্যক্ষেত্ৰতো সংস্থাপিত হ'বলৈ সক্ষম হৈছে। সমাজৰ উন্নতি সাধনত তেওঁলোকে অগ্ৰণী ভূমিকা পালন কৰা দেখা গৈছে। প্ৰায় সংখ্যক যুৱতী স্নাতক উপাধি লাভ কৰিবলৈ সক্ষম হৈছে। তাৰ পৰিবৰ্তে যুৱকসকলৰ সৰহসংখ্যকে আনুষ্ঠানিক শিক্ষা মাধ্যমিক পৰ্যায়তে সাং কৰি ব্যক্তিগত ব্যৱসায় বা গৃহনিৰ্মাণৰ শ্ৰমিক হিচাপে নিয়োজিত হোৱাৰ সংখ্যা দিনে-দিনে বৃদ্ধি পাব ধৰিছে। হাঁহচৰা নগা গাঁওত বৰ্তমান ১৫-২৯ বছৰ বয়সৰ ভিতৰত থকা শিক্ষিত যুৱক-যুৱতীৰ এখন তালিকা সিপিঠিত দেখুওৱা হ'ল।

তালিকা নং ২ ঃ হাঁহচৰা নগা গাঁৱৰ শিক্ষিত যুৱক-যুৱতীৰ সংখ্যা —

| বৃত্তি | যুৱক-যুৱতীৰ সংখ্যা |
|---|---|
| স্নাতক | ৩০ |
| স্নাতকোত্তৰ | ৫ |
| চিকিৎসক | ২ |
| অভিযন্তা | ২ |
| আইন | ১ |
| ফাৰ্মাচী | ১ |
| আই, আই.টি. | ১ |

গাঁৱৰ কোনো যুৱক-যুৱতীয়ে কৃষি শিক্ষা, ডিপ্ল'মা আৰু গৱেষণামূলক অধ্যয়নত জড়িত নাই। অৱশ্যে এগৰাকী এম. ফিল. ডিগ্ৰীধাৰী বোৱাৰী আছে।

হাঁহচৰা নগা গাঁৱত এখন প্ৰাথমিক বিদ্যালয় আৰু এখন উচ্চ মাধ্যমিক বিদ্যালয় আছে। নগা গাঁৱত অৱস্থিত প্ৰাথমিক বিদ্যালয়খনৰ নাম হৈছে — নগা গাঁও চৰকাৰী কনিষ্ঠ বুনিয়াদী বিদ্যালয় (Naga Gaon Govement Junior Basic School)। এই বিদ্যালয় ৰাজ্যিক চৰকাৰৰ শিক্ষা বিভাগৰ অধীনত পৰিচালিত হয়। ১৯৪৫ চনতে স্থাপিত বিদ্যালয়খনত প্ৰথম শ্ৰেণীৰ পৰা পঞ্চম শ্ৰেণীলৈকে অধ্যয়নৰ সুবিধা আছে আৰু লগত প্ৰাক-প্ৰাথমিক শাখাও সংযোজিত হৈছে। বিদ্যালয়খনত অধ্যয়নৰ মাধ্যম অসমীয়া আৰু নগা পৰিয়ালৰ শিশুসকলে অসমীয়া মাধ্যমত শিক্ষা আৰম্ভ কৰে।

হাঁহচৰা গাঁৱত অৱস্থিত উচ্চ মাধ্যমিক বিদ্যালয়খন হৈছে — হাঁহচৰা ছোৱালী উচ্চ মাধ্যমিক বিদ্যালয়। ১৯৬২ চনত স্থাপিত এই বিদ্যালয়খনত কাষৰীয়া গাঁওসমূহৰ কন্যাশিশুসকলে ষষ্ঠ শ্ৰেণীৰ পৰা দশম শ্ৰেণীলৈকে অধ্যয়নৰ সুবিধা লাভ কৰে।

হাঁহচৰা নগা গাঁৱৰ ল'ৰাসকলে হাঁহচৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অধ্যয়ন কৰে। এই বিদ্যালয় গাঁওৰ পৰা কিছু দূৰত বি.জি. পথৰ কাষত সিংহদুৱাৰ গোহাঁই গাঁওত অৱস্থিত। ১৯৪৫ চনত স্থাপিত এই বিদ্যালয়ত উচ্চতৰ মাধ্যমিক পৰ্যায়লৈকে সহশিক্ষা ব্যৱস্থাৰে অধ্যয়নৰ সুবিধা আছে।

উচ্চ শিক্ষা গ্ৰহণৰ কাৰণে গৰিষ্ঠ সংখ্যকে মহাবিদ্যালয়ত অধ্যয়ন কৰিবলৈ কাষৰীয়া ঠাই হিচাপে শিৱসাগৰ আৰু গড়গাঁও নিৰ্বাচন কৰি লয়। বহু ছাত্ৰ-ছাত্ৰীয়ে বৃত্তিমূলক শিক্ষা আহৰণৰ কাৰণে দূৰণিলৈ গৈছে।

বৰ্তমানে নগা গাঁওৰ আশে-পাশে কেইবাখনো ৰাজ্যিক আৰু কেন্দ্ৰীয় ইংৰাজী মাধ্যমৰ বিদ্যালয় গঢ়ি উঠাত নৱপ্ৰজন্মৰ শিশু আৰু যুৱসকলে ইংৰাজী মাধ্যমত শিক্ষাগ্ৰহণ কৰিছে।




চিত্ৰ ৯ ঃ নগা গাঁও চৰকাৰী কনিষ্ঠ বুনিয়াদী বিদ্যালয় সন্মুখত বিভাগীয় শিক্ষকৰ সৈতে প্ৰকল্প প্ৰস্তুত কৰোঁতাসকল

# অধ্যায় — ৫

# সামৰণি

## ৫.০ অধ্যয়নৰ ফলাফল (Findings of the Study) ঃ

প্ৰকল্প অধ্যয়নৰ সংগৃহীত তথ্য বিশ্লেষণৰ পাছত অধ্যয়নকাৰী তলত উল্লেখ কৰা ফলাফলত উপনীত হয় —

ক) অসমত বসবাস কৰা নগা কন্যাকসকলৰ মাজত বহুতো সাংস্কৃতিক পৰিৱৰ্তন আহিছে। নগালেণ্ডত বাস কৰা কন্যাকসকলৰ সাংস্কৃতিক জীৱনৰ সৈতে তেওঁলোকৰ পাৰ্থক্য বৃদ্ধি পাব ধৰিছে। আধুনিক প্ৰজন্মৰ কন্যাক নগা যুৱক-যুৱতীসকল থলুৱা সংস্কৃতিৰ সৈতে সংমিশ্ৰিত হৈ পৰিছে। বৈষ্ণৱ ধৰ্ম গ্ৰহণ আৰু অসমীয়া জনগোষ্ঠীসমূহৰ যুৱক-যুৱতীৰ সৈতে বিবাহ কাৰ্যই এইক্ষেত্ৰত অৰিহণা যোগাইছে। সেয়েহে তেওঁলোকৰ স্বকীয় পৰম্পৰাৰ ধাৰাবাহিকতা ৰক্ষা সম্পূৰ্ণৰূপত বৰ্তি থকাৰ পৰিবৰ্তে আংশিকভাৱেহে প্ৰচলন হৈছে। লোক-সংস্কৃতিৰ পৰিৱৰ্তন যুৱক-যুৱতীসকলৰ সামাজিক কৰ্মৰাজিৰ মাজেৰে প্ৰতিফলিত হৈছে।

খ) হাঁহচৰা নগা গাঁৱৰ যুৱক-যুৱতী স্থানীয় ৰাজনৈতিক প্ৰেক্ষাপটত সক্ৰিয় ভূমিকা লোৱা নাই আৰু নগালেণ্ডৰ ৰাজনৈতিক প্ৰেক্ষাপটৰ দ্বাৰা প্ৰভাৱিত নহয়। স্থানীয় শাসন প্ৰণালী অনুসৰি মৰংঘৰত যুৱকসকলৰ সক্ৰিয় ভূমিকা বৰ্তাই ৰাখিবলৈ সক্ষম হৈছে। গাঁৱৰ ডেকাচামে মৰংঘৰৰ দায়িত্ব পালন কৰি আছে।

গ) হাঁহচৰা নগা গাঁৱৰ যুৱক-যুৱতীসকলৰ অৰ্থনৈতিকভাৱে সবলীকৰণ হৈছে। গাঁৱৰ বহুতো শিক্ষিতা যুৱতী চৰকাৰী আৰু বেচৰকাৰী খণ্ডত নিয়োজিত হৈ আছে। যুৱকসকলে আৰক্ষী আৰু প্ৰতিৰক্ষা বিভাগত যোগদান কৰিবলৈ সক্ষম হৈছে। অৱশ্যে শিক্ষা আগতে সাং কৰা যুৱকসকলে পকীগৃহ নিৰ্মাণ আৰু যুৱতী সকল পশুপালন কৰ্মৰ সৈতে জড়িত হোৱাৰ সংখ্যা বৃদ্ধি পাব ধৰিছে।

ঘ) হাঁহচৰা নগা গাঁৱত এখন প্ৰাথমিক বিদ্যালয় আৰু এখন উচ্চ মাধ্যমিক বিদ্যালয় আছে। উচ্চ শিক্ষাৰ কাৰণে শিৱসাগৰ, গড়গাঁও বা নাজিৰাত মহাবিদ্যালয় আছে। ১ কি.মি. দূৰত্বত এখন উচ্চতৰ মাধ্যমিক বিদ্যালয় আছে। অবিবাহিত ডেকাসকলে মৰংঘৰত চিকাৰ কৰা প্ৰশিক্ষণ গ্ৰহণ কৰে। সকলো ডেকাই তেওঁলোকৰ যুদ্ধৰ সাজপাৰ, চিকাৰ কৰি অনা জীৱ-জন্তুৰ মূৰ আৰু হাড় মৰংঘৰত ৰখাৰ ব্যৱস্থা কৰে। অনুস্থানিক শিক্ষাৰ ক্ষেত্ৰত যুৱকৰ তুলনাত যুৱতীসকল অধিক সবল হোৱা দেখা গৈছে।

ঙ) হাঁহচৰা নগা গাঁৱত কোনো চৰকাৰী প্ৰশিক্ষণ কেন্দ্ৰ, মহিলা উন্নয়ন ব্যৱস্থা, স্বামী বিবেকানন্দ অসম যুৱ সবলীকৰণ আঁচনি বা স্থানীয় পঞ্চায়তৰ প্ৰদক্ষেপ লোৱা দেখা নগ'ল। তেওঁলোকে যথেষ্ট সহজ-সৰল জীৱন-নিৰ্বাহ কৰে।

## ৫.১ সামৰণি (Conclusion) ঃ

এখন দেশৰ সৰ্বাংগীণ বিকাশ ভৱিষ্যৎ প্ৰজন্মৰ ওপৰত নিৰ্ভৰ কৰে। সমাজ গঠন, বিকাশ আৰু পৰিৱৰ্তনত যুৱপ্ৰজন্মৰ ভূমিকা গুৰুত্বপূৰ্ণ। যুৱসকলে সমাজ পৰিৱৰ্তনত সদৰ্থক প্ৰভাৱ বিস্তাৰ কৰিব পাৰে। দেশৰ বিভিন্ন সমস্যাৱলী যেনে — দৰিদ্ৰতা, নিবনুৱা সমস্যা, দুৰ্নীতিগ্ৰস্ততা, মানৱ অধিকাৰ উলংঘন, জনসংখ্যা বৃদ্ধি, গোলকীয় উষ্ণতা বৃদ্ধিৰ সমাধানৰ উপায়ো যুৱসকলৰ মাজতে বিদ্যমান। সাম্প্ৰতিক প্ৰেক্ষাপটত যুৱসকলৰ কাৰণে কেৰিয়াৰৰ অলেখ পথ প্ৰশস্ত। গতিকে, সমাজৰ অশুভ শক্তি অথবা যুৱ উচ্ছৃংখলতাৰ চিকাৰ হোৱাৰ পৰা উদ্ধাৰ কৰি গঠনমূলক কৰ্মত নিয়োজিত কৰি ৰাখিব পৰাকৈ পৰিয়াল আৰু সমনীয়া দলে বিশেষ অৰিহণা আগবঢ়াব লাগিব। যুৱসকলৰ ৰাজনৈতিক সক্ৰিয়তা আৰু অৰ্থনৈতিক আত্মনিৰ্ভৰশীলতা বৃদ্ধি কৰাতো অতি আৱশ্যক। হাঁহচৰা নগা গাঁৱৰ যুৱসকলে স্বকীয় সাংস্কৃতিক আৰু সামাজিক পৰিচয় বহন কৰিছে। তেওঁলোকৰ সামাজিক তথা শৈক্ষিক বিকাশৰ কাৰণে চৰকাৰীভাৱেও প্ৰদক্ষেপ গ্ৰহণ কৰা আৱশ্যক। অসম চৰকাৰ ক্ৰীড়া আৰু যুৱকল্যাণ সঞ্চালকালয়ে যুৱশক্তিৰ বিকাশৰ কাৰণে ব্যৱস্থা হাতত লৈ আহিছে। কন্যাক নগাসকলৰ সবলীকৰণৰ কাৰণেও সামাজিক আৰু চৰকাৰী প্ৰদক্ষেপৰ প্ৰয়োজন।

**সহায়ক গ্ৰন্থপঞ্জী ঃ**

১। গগৈ, স্নিগ্ধাৰাণী (২০১৭) 'শিৱসাগৰৰ হাঁহচৰা নগা গাঁও'। প্ৰশান্ত কুমাৰ চুতীয়া আৰু অনিল পাংগিং (সম্পাদিত) জেৰেঙা-ৰূপহী, স্মাৰক গ্ৰন্থ, অসম সাহিত্য সভাৰ শতবৰ্ষীয় অধিৱেশন, শিৱসাগৰ, পৃষ্ঠা — ৪৩৯-৪৪২ ।

২। চেতিয়া, চি.কে. (২০১৫) অসমৰ জনগোষ্ঠীয় লোক-সংস্কৃতি, গুৱাহাটী ঃ জাগৰণ ।

৩। হাকাচাম, ইউ. আৰ. আৰু নাথ, পি. কে. (২০১৭) অসৰ জনগোষ্ঠীয় সামাজিক লোকাচাৰ, গুৱাহাটী ঃ বনলতা, পৃষ্ঠা — ২১৫-২২২ ।

# পৰিশিষ্ট

## সাক্ষাৎকাৰসূচী

**বিষয় ঃ শিৱসাগৰ জিলাৰ হাঁহচৰা নগা গাঁৱৰ যুব সবলীকৰণ সম্পৰ্কে এক অধ্যয়ন**

ক) গাঁওৰ নাম ঃ

খ) ঠিকনা ঃ

গ) পঞ্চায়তৰ নাম ঃ

ঘ) বসবাস কৰা জনগোষ্ঠী ঃ

ঙ) **গাঁওৰ মুঠ জনসংখ্যা** ঃ

পুৰুষ ☐ মহিলা ☐ যুৱক ☐ যুৱতী ☐

চ) **গাঁওৰ শিক্ষিতৰ সংখ্যা**

প্ৰাথমিক শিক্ষা ঃ বৃত্তিমূলক শিক্ষা ঃ

উচ্চ মাধ্যমিক ঃ চিকিৎসা ঃ

উচ্চতৰ মাধ্যমিক ঃ অভিযান্ত্রিক ঃ

স্নাতক ঃ আইন ঃ

স্নাতকোত্তৰ ঃ কৃষিশিক্ষা ঃ

ডিপ্ল'মা ঃ ফাৰ্মাচী ঃ

গৱেষণামূলক শিক্ষা ঃ অন্যান্য ঃ

ছ) **গাঁওৰ যুৱপ্ৰজন্ম নিয়োজিত হৈ থকা বৃত্তি ঃ**

ব্যৱসায় ঃ

শিক্ষকতা — **চৰকাৰী বিদ্যালয়** ঃ

**বেচৰকাৰী বিদ্যালয়** ঃ

**মহাবিদ্যালয়** ঃ

বেচৰকাৰী সেৱা ঃ

চৰকাৰী খণ্ড কাৰ্যালয় ঃ

উদ্যমিতা ঃ অন্যান্য ঃ

১। **গাঁওৰ যুৱপ্ৰজন্মই কেনেধৰণৰ সামাজিক কৰ্মত অংশগ্ৰহণ কৰে?**

ক) উৎসৱ পাৰ্বণত ভূমিকা

খ) লোক পৰিৱেশ্য কলা (নৃত্য, গীত, অভিনয়) প্ৰসাৰত ভূমিকা

গ) লোক-সংস্কৃতি (মৌখিক গীত, সাধু, লোককথা) প্ৰচলনত ভূমিকা

ঘ) মৰংঘৰ নিৰ্মাণ

২। **প্ৰচলিত পৰম্পৰা ৰক্ষাত যুৱপ্ৰজন্মৰ ভূমিকা কেনেধৰণৰ?**

ক) বাদ্যযন্ত্ৰ নিৰ্মাণ

খ) কাঠৰ মূৰ্ত্তি নিৰ্মাণ

গ) পৰম্পৰাগত বাঁহ-বেতৰ অলংকাৰ, ব্যৱহাৰ্য দ্ৰব্য নিৰ্মাণ

ঘ) বয়ন শিল্প

৩। **গাঁওৰ যুৱপ্ৰজন্ম বেচৰকাৰী সংস্থাত জড়িত হৈ আছে নেকি?**

আছে ☐ নাই ☐

যদি আছে, কেনেধৰণৰ বেচৰকাৰী সংস্থাত জড়িত হৈ আছে আৰু সমাজ সংগঠনত কি কি ভূমিকা পালন কৰিছে?

৪। **আপোনালোকৰ গাঁওত যুৱসংঘ আছেনে?**

আছে ☐ নাই ☐

যদি আছে, যুৱসংঘৰ কাৰ্যাৱলী কেনেধৰণৰ?

৫। **আপোনালোকৰ গাঁওৰ যুৱক-যুৱতীয়ে ৰাজনৈতিক ক্ষেত্ৰত অংশগ্ৰহণ কেনেধৰণৰ?**

ক) স্থানীয় প্ৰশাসনত প্ৰতিদ্বন্দ্বিতা—

খ) জিলা বা ৰাজ্যিক স্তৰত ৰাজনৈতিক সক্ৰিয়তা—

৬। **স্থানীয় স্বায়ত্ত শাসন ব্যৱস্থাই (পঞ্চায়ত আদি) যুব সবলীকৰণত ভূমিকা গ্ৰহণ কৰিছে নেকি ?**

কৰিছে ☐ নাই কৰা ☐

যদি কৰিছে, কেনেধৰণৰ ভূমিকা গ্ৰহণ কৰিছে।

৭। **গাঁওৰ যুৱপ্ৰজন্ম আত্মসহায়ক গোটত জড়িত হৈছেনে ?**

আছে ☐ নাই ☐

যদি আছে —

যুৱকৰ সংখ্যা ঃ

যুৱতীৰ সংখ্যা ঃ

যুৱপ্ৰজন্মই আত্মসহায়ক গোটৰ যোগেদি সম্পাদন কৰা কাৰ্যাৱলী

৮। **আপোনালোকৰ গাঁওৰ যুৱসমাজ জীৱিকাৰ কাৰণে চৰকাৰী সা-সুবিধাৰ পৰা উপকৃত হৈছেনে ?**

হৈছে ☐ হোৱা নাই ☐

যদি হৈছে, কেনেধৰণে উপকৃত হৈছে

ক) স্বামী বিবেকানন্দ যুৱ সবলীকৰণ আঁচনি

খ) চৰকাৰী বিত্তীয় প্ৰতিষ্ঠানৰ পৰা ক্ষুদ্ৰ ঋণ

গ) অন্যান্য

৯। **আপোনালোকৰ তগাঁওৰ যুৱপ্ৰজন্ম কোনো বিশেষ ক্ষেত্ৰত চৰকাৰী বা সামাজিক অনুষ্ঠানৰ পৰা পুৰস্কৃত হৈছে নেকি ?**

হৈছে ☐ হোৱা নাই ☐

যদি হৈছে, পুৰস্কৃত ব্যক্তিৰ পৰিচয় আৰু কৰ্মক্ষেত্ৰৰ বিষয়ে জনাব

১০। **গাঁওৰ যুৱকসকল আজৰি সময় কেনেধৰণে কটায় ?**

ক) খেল-ধেমালি খ) পৰ্যটন

গ) সৃষ্টিশীল কৰ্ম ঘ) অৱসৰ বিনোদন কাৰ্য

ঙ) বৈদ্যুতিন আহিলা ব্যৱহাৰ

১১। **পৰিৱেশ সুৰক্ষাত যুৱসকল কি কি কামত জড়িত ?**

ক) বেচৰকাৰী সংস্থাৰ কাৰ্য

খ) ব্যক্তিগত প্ৰচেষ্টা

১২) **গাঁওৰ যুৱসকলে সবলীকৰণৰ সৈতে পৰিচিত হয়নে ?**

হয় ☐ নহয় ☐

যদি হয়, সবলীকৰণৰ কাৰণে তেওঁলোকে কেনেধৰণৰ নিজা পদক্ষেপ বা অন্য জনগোষ্ঠীয় লোকৰ সৈতে প্ৰদক্ষেপ গ্ৰহণ কৰিছে?

**সাক্ষাৎকাৰ প্ৰদানকাৰীৰ স্বাক্ষৰ**

Anoop